জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ২২৭/২০২১

**মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰিলে মহানগৰীৰ তিনিখন পদ-পথ সেঁতুৰ**

# ৰাজ্য চৰকাৰৰ ১০০ দিন পূৰ্তিত জনসাধাৰণৰ সেৱাত উৎসৰ্গিত কৰিলে পদ-পথ সেঁতু

**দিছপুৰ, ২০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (এছ অ' পি ডি-জি) ২০১৯-২০ ৰ অধীনত নিৰ্মীত তিনিখন পদ-পথ সেঁতুৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে ২৮ মিটাৰ দৈৰ্ঘৰ ১০৩৮ লাখ টকা ব্যয় সাপেক্ষ আডাবাৰী-এটি ৰোড পদ-পথ সেঁতু, ৯৭০.৬০ লাখ টকা ব্যয় সাপেক্ষ ২৮ মিটাৰ দৈৰ্ঘৰ বৰিপাৰা-এটি ৰোড পদ-পথ সেঁতু আৰু ৭৯৮.০৪ লাখ টকা ব্যয় সাপেক্ষ ১৯.৭০ মিটাৰ দৈৰ্ঘৰ শুক্ৰেশ্বৰ পদ-পথ সেঁতু নিৰ্মাণ কৰা হৈছে।

ৰাজ্য চৰকাৰৰ ১০০ দিনীয়া পূৰ্তি উপলক্ষে এই পদ-পথ সেঁতু কেইখন জনসাধাৰণলৈ উৎসৰ্গিত কৰি মুখ্যমন্ত্ৰীয়ে সময় নিৰ্দ্ধাৰিতভাৱে এই প্ৰকল্প সম্পূৰ্ণ কৰাৰ বাবে নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত থকা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এই পদ-পথ সেঁতু কেইখন ব্যস্ততাপূৰ্ণ সময়ছোৱাত পথছাৰীসকলক পথ অতিক্ৰম কৰাৰ ক্ষেত্ৰত সহায়ক হৈ উঠিব। তেওঁ কয় যে আধুনিক সা-সুবিধা সন্নিৱিষ্ট এই পদ-পথ সেঁতু কেইখনে মহানগৰীৰ সৌন্দৰ্যবৰ্দ্ধনৰ ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলাব।

মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰ আৰক্ষী আয়ুক্ত, উপায়ুক্ত ইত্যাদিৰ ঐতিহাসিক ভৱনৰ সংৰক্ষণৰ কাম চলি আছে। এই ভৱনসমূহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। তেওঁ লগতে কয় যে গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত যিসমূহ উৰণসেঁতুৰ নিৰ্মাণকাৰ্য চলি আছে সেই সেঁতুসমূহৰ নিৰ্মাণ সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ সৌন্দৰ্যবৰ্দ্ধন আৰু উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। তেওঁ কয় যে মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ ওচৰত ২৪০ খন বাহন ৰাখিব পৰাকৈ স্বয়ংক্ৰিয় বহুমুখী কাৰ পাৰ্কিং শেহতীয়াভাৱে মুকলি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ফাঁচী বজাৰৰ পুৰণি কাৰাগাৰ চৌহদত এখন উদ্ভিদ উদ্যান স্থাপনৰ কাম আৰম্ভ কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আশোক সিংহল, সাংসদ কুইন ওজা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য উপস্থিত আছিল।

**স্বাক্ষৰ / পুঃডেঃ**

**২০/০৮/২০২১**